# যীচু ৰজাৰো ৰজা

## যীচুৰ বাধ্য হ'বলৈ ল'ৰা-ছোৱালীবিলাকক শিকাওক

**প্ৰাৰ্থনাঃ** "হে আমাৰ পিতৃ, এই অধ্যয়নৰ যোগেদি ল'ৰা-ছোৱালী বিলাকক যীচুৰ বাধ্য হ'বলৈ অনুগ্ৰহ কৰি সহায় কৰক, কাৰণ তেওঁলোকে যীচুক ভালপায়।"

যিকোনো অথবা আটাইবিলাক ল'ৰা-ছোৱালীয়ে শিকিবলগীয়া বিষয়বোৰ বাছি লওক।

লূক ৭ঃ১-১০ পদত লিখা যীচুৰ বাক্য পালন কৰা এজন সেনাপতিৰ গল্পটো এগৰাকী ডাঙৰ ল'ৰা / ছোৱালীক অথবা শিক্ষকক পঢ়িবলৈ দিয়ক। মহান ৰজাৰ বাক্য পালন কৰাৰ অৰ্থ কি তাকে এজন ৰোমীয় এশৰ সেনাপতিয়ে বুজি পোৱা, ইয়াত প্ৰকাশ কৰা হৈছে।

সম্ভৱ হ'লে, তলত দিয়া ৰোমীয় সেনাৰ ছবিখনত ল'ৰা-ছোৱালীক ৰং দিবলৈ দিয়ক।

গল্পটো কোৱাৰ পিছত, তলত দিয়া প্ৰশ্নবোৰ কৰক।

- যীচুৱে তেওঁৰ নিমিত্তে কি কৰাটো ৰোমীয় সেনাপতিয়ে ইচ্ছা কৰিছিল? *(উত্তৰঃ ৩ পদ)*
- সেনাজনক সহায় কৰিবলৈ কোনে যীচুক কৈছিল? *(৩)*
- যীচুক লগ ধৰিবলৈ সেনাপতিজন কিয় অহা নাছিল? *(৭ পদ। তেওঁ নিজকে উপযুক্ত বুলি ভবা নাছিল।)*
- যীচু যে সকলোৰে শাসনকৰ্ত্তা, সেই কথা বিশ্বাস কৰি, সেনাপতিজনে কেনেকৈ যীচুৰ প্ৰতি তেওঁৰ বিশ্বাস দেখুৱাইছিল? *(৭-৮)*
- যীচুৰ আজ্ঞা পালনকাৰী হিচাবে সেনাপতিয়ে কেনেকৈ প্ৰকাশ কৰিছিল? *(৭ পদ। তেওঁৰ ৰোগী দাসজনৰ কি হ'ব, সেই বিষয়ে তেওঁৰ যীচুৰ বাক্য গ্ৰহণ কৰিছিল।)*



গল্পটো কিছু অংশ নাটক কৰক। নাটক প্ৰস্তুত কৰোতে ল’ৰা-ছোৱালীৰ লগত আপোনাৰ সময় ব্যৱহাৰ কৰক। গল্পটোৰ গোটেই ভাগ ব্যৱহাৰ নকৰিলেও হ’ব।

ডাঙৰ ল’ৰা-ছোৱালী অথবা বয়সীয়া সকলক তলত দিয়া ভাওবোৰ দিয়ক ঃ

**বৰ্ণনাকাৰীঃ** গল্পটো সংক্ষেপে কওক আৰু কি ক’ব লাগে ল’ৰা-ছোৱালী সহায় কৰক।

**এশৰ সেনাপতি**

**সেনা**

**যীচু**

সৰু ল’ৰা-ছোৱালীক তলত দিয়া ভাওবোৰ দিয়কঃ

**দাসঃ** মজিয়াত পৰি থাকক আৰু মৰো মৰো হৈ থকা বেমাৰী হেন বুজাওক।

**যিহূদীবিলাক** (সেনাপতিৰ বন্ধুবৰ্গ)

## নাটক, ১ম খণ্ড, লূক ৭ঃ১-৭

**বৰ্ণনাকাৰীঃ** গল্পটোৰ ১ম খণ্ড কওক (১-৬ পদ)। “এশৰ সেনাপতিৰ দাসে কি কৈছে শুনক।”

**দাসঃ** “মহাশয়, মই অতিকৈ ৰোগীয়া। মই জানো যে মই মৰিম।”

**এশৰ সেনাপতি ঃ** “যীচু কফৰনাহূমলৈ আহিছে। তেওঁ তোমাক সুস্থ কৰিব পাৰে। মই তেওঁৰ ওচৰলৈ মানুহ পঠাম।” যিহূদী বন্ধুবৰ্গক কয়, “মোৰ যিহূদী বন্ধুসকল, মোৰ দাস মৰো মৰো হৈছে। তেওঁক সুস্থ কৰিবলৈ অনুগ্ৰহ কৰি যীচুক কওক। মই নিজে তেওঁৰ ওচৰলৈ যাবলৈ, যীচু অতি মহান।”

**যিহূদীবিলাক ঃ** “আমি আপোনাৰ হৈ যাম, “যীচুৰ ওচৰলৈ যায় আৰু কয়, “অনুগ্ৰহ কৰি যীচু, আপুনি আমাৰ লগত আহক।”

“তেওঁৰ দাসক সুস্থ কৰিবলৈ, ৰোমীয় এশৰ সেনাপতিয়ে কৈছে।” “তেওঁ এজন বৰ ভাল মানুহ।”

“তেওঁ আমাৰ বাবে চিন্তা কৰে। তেওঁ আমাৰ নামঘৰটো সাজি দিছে।

**যীচুঃ** “মই তোমালোকৰ লগত যাম।”

## নাটক, ২য় খণ্ড, লূক ৭ঃ৭-১০

**বৰ্ণনাকাৰীঃ** গল্পটোৰ ২য় খণ্ড কওক (৭-১০ পদ)। “এশৰ সেনাপতিয়ে কি কৈছে শুনক।”

**এশৰ সেনাপতিঃ** “মই যীচুক লগ পোৱাৰ যোগ্য নহওঁ। যদি তেওঁ এষাৰ বাক্য কয়, তেওঁ সুস্থ হ’ব। সেনা, তুমি তেওঁৰ ওচৰলৈ যোৱা।

**সেনাঃ** চালাম কৰি কয়, “হয় মহাশয়!” (যীচুৰ ফাললৈ আগবাঢ়ে)

**যিহুদীবিলাকঃ** “এশৰ সেনাপতিৰ ঘৰ দূৰৈত নহয়। খৰ কৰা!” “চোৱা, আমাৰ ওচৰলৈ তেওঁ এজন সেনাক পঠিয়াইছে।”

**সেনাঃ** যীচুৰ ওচৰলৈ যায় আৰু কয়, “যীচু আপুনি যে এগৰাকী মহান পুৰুষ, সেই কথা মোৰ গৰাকীয়ে জানে। আপুনি আজ্ঞা কৰিলে, পলম নকৰাকৈ পালন কৰিব লাগে বুলি তেওঁ জানে। তেওঁৰ দাসৰ ৰোগ সুস্থ হ’বলৈ অনুগ্ৰহ কৰি আপুনি আজ্ঞা কৰক।

**যীচুঃ** “এই সেনাৰ সেনাপতিয়ে জানে আদেশ কৰাৰ অৰ্থ কি। মোৰ আজ্ঞাত ক্ষমতা থকা বুলি তেওঁ জানে। এই নৰিয়াৰ ওপৰত মোৰ শক্তিত তেওঁৰ বিশ্বাস আছে। ইস্ৰায়েলৰ মাজতো মই ইমান বিশ্বাস পোৱা নাই!”

**বৰ্ণনাকাৰীঃ** নাটকৰ অন্তত সহায়কাৰী আটাইকে ধন্যবাদ দিয়ক।

মণ্ডলীৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক যাতে যেন ল'ৰা-ছোৱালীয়ে...

- উপাসনাৰ সময়ত নাটকখন পৰিবেশন কৰিব পাৰে।
- এই অধ্যয়ন আৰম্ভ হোৱা ওচৰৰ তালিকাত থকা প্ৰশ্নবোৰ বয়সীয়া সকলক সুধিবলৈ দিয়ক।
- পদ্য আদি কৰি ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা আটাইখিনিকে পৰিবেশন কৰক।

**ল'ৰা-ছোৱালীক প্ৰশ্ন কৰক ঃ** আমি পালন কৰা উচিত বুলি কি কি বিষয় যীচুৱে আমাক কৰিবলৈ আজ্ঞা দিছে?

কোনো কোনো দেশত ৰজাই পৰিধান কৰা এটা কিৰীটি আঁকি দিয়ক। ল'ৰা-ছোৱালীকো সেই কিৰীটি আঁকিবলৈ দিয়ক।

- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক সহায় কৰক। ল'ৰা-ছোৱালীয়ে এই ছবি পিছৰ উপাসনাৰ সময়ত বয়সীয়া সকলক দেখুৱাওক। ইয়াৰে ল'ৰা-ছোৱালীয়ে ব্যাখ্যা কৰক যে যীচু ৰজাৰো ৰজা, আমি তেওঁৰ আজ্ঞা পালন কৰো, কাৰণ আমি তেওঁক ভাল পাওঁ।



**মুখস্থ কৰকঃ** যোহন ১৪ঃ১৫ পদত ৰজাৰো ৰজাই কি কৈছে, "তোমালোকে যদি মোক প্ৰেম কৰা, তেন্তে মোৰ আজ্ঞাবোৰ পালন কৰিবা।"

**পদ্যঃ** মথি ২৮ঃ১৮,১৯ আৰু ২০ পদ কেইটা তিনিগৰাকী ল'ৰা-ছোৱালীক একোটাকৈ আবৃত্তি কৰিবলৈ দিয়ক।

> "স্বৰ্গত আৰু পৃথিৱীত সকলো ক্ষমতা মোক দিয়া হ'ল।"
>
> "এই হেতুকে তোমালোক যোৱা, আৰু সকলো জাতিকে শিষ্য কৰি পিতৃ, পুত্ৰ আৰু পবিত্ৰ আত্মাৰ নামেৰে তেওঁবিলাকক বাপ্তাইজ কৰা।"
>
> "আৰু মই যি যি আদেশ তোমালোকক দিলো, সেই সকলোকে পালন কৰিবলৈ তেওঁবিলাকক শিক্ষা দিয়া। আৰু চোৱা, জগতৰ শেষলৈকে মই তোমালোকৰ সঙ্গে সঙ্গে আছোঁ।"

আমি কিয় যীচুৰ আদেশ পালন কৰিবলৈ ভাল পাওঁ - সেই বিষয়ে পদ্য, গীত অথবা চুটি গল্প ডাঙৰ ল'ৰা-ছোৱালীক লিখিবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "হে প্ৰভু, আমি আপোনাৰ বাক্য শুনিবলৈ ভাল পাওঁ, আৰু আপুনি কোৱা কথাবোৰ পালন কৰিবলৈ ইচ্ছা কৰোঁ। আমি আপোনাৰ বাধ্য হ'বলৈ ইচ্ছা কৰোঁ, কাৰণ আপুনি ৰজাৰো ৰজা আৰু আমি আপোনাক ভাল পাওঁ।"

Copyright 2004 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net.